## ৯৭৬ ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ প্ৰতিবেদন ৯৮২

### চুলেমান ইচ্ছা
### -বনাম-
### বোম্বে চৰকাৰ

[মুখ্য ন্যায়াধীশ মেহেৰ চান্দ মহাজন, ন্যায়াধীশ মুখাৰজিয়া, ন্যায়াধীশ এচ্ আৰ্ দাস, ন্যায়াধীশ ভিভিয়ান বোস আৰু ন্যায়াধীশ গুলাম হাচান]

(আৱেদন নং ৬৭ চন ১৯৫১)

*ফৌজদাৰী কাৰ্যবিধি আইন, (১৮৯৮ চনৰ ৫নং আইন)- ধাৰা ৫১৭, বিচাৰৰ সন্মুখীল হোনা ব্যক্তি- বম্বে জিলা আৰক্ষী আইনৰ ধাৰা ৬১-ইৰ অধীনত (১৮৯০ চনৰ বম্বে আইন পঞ্চম)- প্ৰায় ৩ লাখ টকাৰ সোণ জব্দ- সম্পত্তিৰ বিষয় ।*

ফৌজদাৰী কাৰ্যবিধি আইনৰ ৫১৭নং ধাৰা অনুসৰি কোনো এক অনুসন্ধানৰ বা বিচাৰ প্ৰক্ৰিয়া সমাপ্তিৰ পিছত আদালতত দাখিল কৰা বা আদালতৰ জিম্মাত থকা যিকোনো সম্পত্তি বা নথি-পত্ৰ, যিবোৰ সম্পত্তি বা নথি-পত্ৰ সন্দৰ্ভত কোনো অপৰাধ সংঘটিত হোৱা যেন লাগে বা যিবোৰ কোনো অপৰাধ সংঘটিত কৰাৰ বাবে ব্যৱহাৰ কৰা হৈছিল, সেইবোৰ নিষ্পত্তিৰ বাবে আদেশ দিয়াৰ ক্ষমতা আদালতৰ থাকে । আদালতৰ ক্ষমতা আদালতৰ জিম্মাত থকা সম্পত্তি বাজেয়াপ্ত কৰালৈকে বিস্তৃত যদিও প্ৰতিটো গোচৰতে গোচৰৰ পৰিস্থিতি নিৰ্বিশেষে আদালতে বাজেয়াপ্ত কৰাৰ আদেশ দিয়াটো বাধ্যতামূলক নহয়।

বিচাৰ কৰা হয়- এই গোচৰত প্ৰায় ৩ লাখ টকাৰ সোণ বাজেয়াপ্ত কৰাটো এককভাৱে অনুচিত বুলি ৰায় দিছিল য'ত গোচৰীয়া পক্ষৰ মতে ঘটনাটো হ'ল যে বিবাদিত সোণখিনি আফ্ৰিকাৰ পৰা ভাৰতলৈ চোৰাংভাৱে অনা হৈছিল বুলি

আদালতে বিবেচনা কৰা নাছিল আৰু আচামীজনক বম্বে জিলা আৰক্ষী আইন, ১৮৯০ৰ ৬১-ই ধাৰা অনুসৰি দোষী সাব্যস্ত কৰা হৈছিল, য'ত সৰ্বাধিক তিনি মাহৰ শাস্তি আৰু ১০০ টকা জৰিমনা বিহাৰ ব্যৱস্থা আছে আৰু য'ত বাজেয়াপ্ত কৰাৰ দৰে শাস্তি আৰোপ কৰাৰ বাবে সাগৰীয় শুল্ক আইনৰ দৰে কোনো গুৰুত্বপূৰ্ণ ব্যৱস্থা নাই ।

**ফৌজদাৰী মূল ক্ষেত্ৰাধিকাৰ: ফৌজদাৰী আপীল নং ৬৭ চন ১৯৫১ ।**

বোম্বে উচ্চ ন্যায়ালয়ত দাখিল কৰা ১৯৪৯ চনৰ ফৌজদাৰী আপীল নং ৭৮৪ অত উক্ত উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ দীক্ষিত আৰু চাইনানীয়ে ১৯৫০ চনৰ ২৬ জুন তাৰিখে দিয়া ৰায় আৰু আদেশৰ বিৰুদ্ধে বিশেষ অনুমতিৰে দাখিল কৰা আপীল ।

আবেদনকাৰীৰ অধিবক্তা- এন. চি. চেটাৰ্জী (তেওঁক সহযোগ কৰে এইচ. জে. উমৰিগাৰ আৰু এছ. পি. বৰ্মা)

অপৰ পক্ষক প্ৰতিনিধিত্ব কৰে- ভাৰতৰ এটৰ্নী জেনেৰেল এম. চি. চেটালভাদ তেওঁক সহযোগ কৰে পোৰাছ এ মেহতাই ।

আদালতৰ ৰায় প্ৰদান কৰা হৈছিল ১৯৫৪ চনৰ ১১ মাৰ্চ ।

***ন্যায়াধীশ গুলাম হাচান-***

১৯৪৮ চনৰ ৩১ তাৰিখে ডিচেম্বৰত নাদিয়াদ প্ৰান্ট মহকুমাৰ ন্যায়িক দণ্ডাধীশে আপীলকাৰীক দোষী সাব্যস্ত কৰি প্ৰদান কৰা ৰায়ৰ বিৰুদ্ধে কাইৰাৰ সত্ৰ ন্যায়াধীশৰ আদালতত আপীল দাখিল কৰাত, সত্ৰ ন্যায়াধীশে ১৯৪৯ চনৰ ৭ মে'ত প্ৰদান কৰা ৰায়ৰ দ্বাৰা আপীলকাৰীক খালাচ দিয়ে, আৰু সেই ৰায়ৰ বিৰুদ্ধে বম্বে চৰকাৰে বম্বে উচ্চ ন্যায়ালয়ত আপীল কৰাত বম্বে উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ দীক্ষিত আৰু চাইনানীয়ে ১৯৫০ চনৰ ২৬ জুনত প্ৰদান কৰা ৰায়ৰ দ্বাৰা বম্বে চৰকাৰৰ আপীল মঞ্জুৰ কৰি, আপীলকাৰীক সত্ৰ ন্যায়াধীশে দোষমুক্ত কৰাৰ আদেশ বাতিল কৰে আৰু নাদিয়াদ প্ৰান্ট মহকুমাৰ ন্যায়িক দণ্ডাধীশে আপীলকাৰীক দোষী

সাব্যস্ত কৰি প্ৰদান কৰা ৰায় বাহাল ৰাখে, যাৰ ফলস্বৰূপে বম্বে উচ্চ ন্যায়ালয়ৰ ৰায়ৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ৰ বিশেষ অনুমতি প্ৰাপ্তিৰে এই আপীল দাখিল কৰা হৈছে।

দক্ষিণ আফ্ৰিকাৰ নাটালৰ বাসিন্দা চুলেমান ইছাই ১৯৪৭ চনৰ আগষ্ট মাহত ডাৰবানৰ পৰা গাড়ীৰে ভাৰতলৈ আহিছিল তেওঁৰ জন্মস্থান জিলা কাইৰাৰ ছাৰ্ছা ভ্ৰমণ কৰিবলৈ য'ত তেওঁৰ ভগ্নীয়ে স্বামী আলিমাহমাদ ইছাকৰ সৈতে বাস কৰিছিল। তেওঁৰ লগত তেওঁৰ আন এজন খুলশালী / ভিনীয়েক দাউদ হাছাম আছিল আৰু দুয়োজনে গাড়ীৰে মোম্বাছালৈ যাত্ৰা কৰিছিল। মোম্বাছাৰ পৰা তেওঁলোকে ৩০ আগষ্টত নাৱেৰে যাত্ৰা কৰিছিল, আৰু ১১ ছেপ্টেম্বৰত কলম্বোত উপস্থিত হৈছিল। ১৪ ছেপ্টেম্বৰত তেওঁলোকে কলম্বোৰ পৰা বিমানযোগে মাদ্ৰাজলৈ আহিছিল, কিন্তু গাড়ীখন জাহাজেৰে প্ৰেৰণ কৰিছিল। জাহাজখন মাদ্ৰাজ আহি নোপোৱালৈকে তেওঁলোক ২০ ছেপ্টেম্বৰলৈকে মাদ্ৰাজতে আছিল। বহি শুল্ক হিচাপে ২৭০০ টকা, আৰু নিৰাপত্তাৰ বাবদ ১০ হাজাৰ টকা নগদ ধন জমা দিয়াৰ পিছত ১ অক্টোবৰত গাড়ীখন আপীলকাৰীক গতাই দিয়া হৈছিল, কাৰণ আপীলকাৰীয়ে ডাৰবানলৈ উভতি গলে গাড়ীখন ঘূৰাই নিব বিচাৰিছিল। বাংগালুৰু, পুনা, নাচিক আৰু ধুলীয়াৰ মাজেৰে পাৰ হৈ ৭ অক্টোবৰত তেওঁলোকে গাড়ীৰে নৰদনালৈ গৈছিল। তাৰ পৰা ৰেলযোগে যাত্ৰা কৰি ৮ অক্টোবৰত সৰছা গৈ পায়। গাড়ীখন এখন মুকলি ট্ৰাকত নৰ্ডনাৰ পৰা আনন্দলৈ লৈ যোৱা হয় য'ত তেওঁলোকে গাড়ীখন লৈ লয় আৰু সেইখন চলাই তেওঁলোকে সৰছালৈ যায়।

নদিয়াদ চহৰৰ এজন জ্যেষ্ঠ আৰক্ষী পৰিদৰ্শক ৰতনছিং কালুছিং ৰাওলে চহৰখনৰ মাজেৰে ভাৰতীয় পঞ্জীয়ণ নম্বৰ নথকা গাড়ী এখন পাৰ হৈ যোৱা লক্ষ্য কৰি আৰক্ষীক গাড়ীখনৰ ওপৰত নজৰ ৰাখিবলৈ নিৰ্দেশ দিয়ে । আপীলকাৰীসকলক ১২ অক্টোবৰত উপ-পৰিদৰ্শকৰ সন্মুখত হাজিৰ হ'বলৈ নিৰ্দেশ দিয়া হয়। সোধপোছ

কৰাত তেওঁ কয় যে তেওঁৰ পৰিয়ালটো জামনগৰ ৰাজ্যৰ মূল বাসিন্দা যদিও যোৱা ৬০ বছৰ ধৰি তেওঁলোকে ডাৰবানত মাটি ক্রয়-বিক্রয়ৰ ঠিকাদাৰী ব্যৱসায় কৰি আছে। তেওঁৰ ভাতৃ দাউদ ইছাই অৱশ্যে বম্বেত চাকৰি কৰি আছিল। তেওঁ আৰু তেওঁৰ সংগীয়ে কৰা যাত্ৰাৰ সবিশেষ আৰক্ষীক জনাইছিল আৰু তেওঁলোকৰ পাৰপত্ৰ দেখুৱাইছিল, লগতে বহি শুল্ক পৰিশোধ কৰা আৰু নগদ ধন জমা কৰি ৰচিদও দেখুৱাইছিল । ১৫ অক্টোবৰত মুখ্য আৰক্ষী কনিষ্টবল অজিত সিঙে ৰাওলক জনাইছিল যে কোনোবা অচিনাকি ব্যক্তিয়ে উমৰভাই গহনাৰ দোকানলৈ বৃহৎ পৰিমাণৰ সোণ লৈ আহিছে। সেই অনুসৰি আৰক্ষীয়ে গহনা ব্যৱসায়ীজন আৰু তেওঁৰ ভাতৃ (তেওঁ এজন গহনা ব্যৱসায়ী)ৰ দোকানখনলৈ গৈ গম পালে যে আপীলকাৰীয়ে তেওঁক সোণ গলাবলৈ দিছে। সেই সোণৰ লগতে আন ঠাইত ৰখা কিছু সোণ আৰক্ষীয়ে জব্দ কৰে । আৰক্ষীয়ে গাড়ীখনো জব্দ কৰি লৈ যায় । জব্দ কৰা গোটেই সোণৰ ওজন আছিল ২৭৭৩১ টোলা যাৰ মূল্য প্ৰায় ৩ লাখ টকা ।

গাড়ীখনত থকা অনাতাঁৰ যন্ত্ৰটো ট্রেন্সমিটাৰ বুলি ধৰি লৈ আপীলকাৰী আৰু অন্যান্যৰ বিৰুদ্ধে ভাৰতীয় টেলিগ্ৰাফ আইনৰ ২০ নং ধাৰাত আইনী প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছিল। কিন্তু সেইটো নহয় বুলি জনাৰ পিছত সেই আইনী প্ৰক্ৰিয়া বন্ধ কৰি দিয়া হয় । গাড়ীখন পৰীক্ষা কৰিছিল যদিও সন্দেহজনক একো পোৱা নাছিল। ৰাজহুৱা নিৰাপত্তা আইনৰ অধীনত ব্যক্তিজনক আটক কৰি ৰখা হৈছিল যদিও পিছত মুকলি কৰি দিয়া হয়। শেষত ৰাওলে দাখিল কৰা অভিযোগৰ ভিত্তিত ১৯৪৮ চনৰ ২ জানুৱাৰীত আপীলকাৰী আৰু অন্যান্যৰ বিৰুদ্ধে বম্বে জিলা আৰক্ষী আইন(১৮৯০ চনৰ চতুৰ্থখন আইন)ৰ ধাৰা ৬১ই আৰু ভাৰতীয় দণ্ডবিধিৰ ১০৯ নং ধাৰাত গোচৰ চলোৱা হয়। ৬১ই ধাৰাত কোৱা হৈছে:-

"যি কোনো ব্যক্তিয়ে তেওঁৰ হাতত থকা কোনো বস্তু বা যিকোনো ধৰণে প্ৰেৰণ কৰা বস্তু, বা কোনো বস্তু বিক্ৰী বা পণ্য হিচাপে ব্যৱহাৰৰ বাবে প্ৰস্তাৱ দিয়ে, যিটো বস্তু চুৰি কৰা বা জালিয়াতিৰে লাভ কৰা সম্পত্তি বুলি বিশ্বাস কৰাৰ কাৰণ আছে, যদি তেওঁ এনে বস্তু ৰখাৰ উপযুক্ত কাৰণ দৰ্শাব নোৱাৰে বা দণ্ডাধীশক সন্তুষ্টিজনক উত্তৰ দিব নোৱাৰে, তেন্তে তেওঁক তিনি মাহ পৰ্য্যন্ত কাৰাদণ্ড বা এশ টকা পৰ্যন্ত জৰিমনা বিহা হ'ব পাৰে।"

দণ্ডাধীশে আপীলকাৰীক দোষী সাব্যস্ত কৰি ১০০ টকা জৰিমনা বিহাৰ লগতে ফৌজদাৰী কাৰ্য্যবিধিৰ ৫১৭ নং ধাৰা অনুসৰি সোণখিনি জব্দ কৰিবলৈ নিৰ্দেশ দিয়ে। সহযোগিতা আগবঢ়োৱাৰ অভিযোগত অভিযুক্ত আন আচামীক দোষমুক্ত কৰা হয়। দণ্ডাধীশে মতামত দিছিল যে আপীলকাৰীয়ে চুৰি বা জালিয়াতিৰে সম্পত্তিখিনি আহৰন কৰা বুলি প্ৰমাণ কৰিবলৈ কোনো প্ৰত্যক্ষ সাক্ষ্য নাই যদিও তেওঁৰ মতে এনে কিছুমান পৰিস্থিতি আছিল যাৰ ফলস্বৰূপে জব্দ কৰা সোণখিনি চুৰি বা জালিয়াতিৰে আহৰন কৰা হৈছে বুলি বিশ্বাস কৰাৰ যুক্তিসংগত স্থল আছে। সত্ৰ ন্যায়াধীশে ৰায় দিছিল যে যদিও সোণখিনি আহৰন কৰাতো অতি সন্দেহজনক, তথাপিও এই সম্পত্তিখিনি হয় চুৰি হৈছে নহয় জালিয়াতিৰে লাভ কৰা হৈছে বুলি যুক্তিসংগতভাৱে ভৱাৰ পৰ্যাপ্ত ভিত্তি নাছিল। সেই অনুসৰি তেওঁ আপীলকাৰীক দোষী সাব্যস্ত কৰি শাস্তি বিহা ৰায় বাতিল কৰি সোণখিনি আপীলকাৰীক ঘূৰাই দিবলৈ নিৰ্দেশ দিয়ে।

ৰাজ্য চৰকাৰে দাখিল কৰা আপীলত উচ্চ ন্যায়ালয়ে আপীলকাৰীয়ে নিজৰ গাড়ীৰে ভাৰতলৈ সোণ আনিছিল বুলি গুচৰীয়া পক্ষৰ আবেদন মানি লোৱা নাছিল যদিও দণ্ডাধীশৰ ৰায়ৰ সৈতে সন্মতি প্ৰকাশ কৰিছিল যে পৰিস্থিতিৰ পৰা বিশ্বাস কৰাৰ স্থল আছিল যে আপীলকাৰীৰ হাতত যি সোণ আছিল সেয়া হয় চুৰি কৰা সম্পত্তি বা জালিয়াতিৰে লাভ কৰা সম্পত্তি আছিল।

উচ্চ ন্যায়ালয়ে আপীলকাৰীৰ দাবী যে তেওঁৰ পিতৃয়ে নিজৰ জন্মস্থান পৰিদৰ্শন কৰাৰ সময়ত মাজে মাজে সোণখিনি সৰ্হালৈ আনিছিল সেয়া বিশ্বাস কৰা নাছিল । ৫১৭নং ধাৰামতে বাজেয়াপ্ত কৰাৰ বাবে দিয়া আদেশৰ সন্দৰ্ভত উচ্চ ন্যায়ালয়ে ৰায় দিয়ে যে বাজেয়াপ্ত কৰা সম্পত্তিখিনি কোনো অপৰাধৰ লগত জড়িত জব্দ কৰা সম্পত্তি হ'ব লাগিব বুলি কোৱাটো প্ৰয়োজনীয় নহয়, কিন্তু সেই সম্পত্তি আদালতত দাখিল কৰিলেই যথেষ্ট আছিল । এই মতামত অনুসৰি আপীলকাৰীক দোষমুক্ত কৰি দিয়া ৰায় বাতিল কৰি দণ্ডাধীশে প্ৰদান কৰা ৰায় বাহাল ৰখা হয়।

আপীলকাৰীৰ হৈ শ্ৰীযুত চেটাৰ্জীয়ে আৰম্ভণিতে কৈছিল যে তেওঁ স্বীকাৰ কৰিবলৈ ৰাজী নহয় যে আপীলকাৰীৰ দোষী সাব্যস্ত হোৱাটো সঠিক আছিল, কিন্তু তেওঁ এইদৰে কৈছিল যে যদি এনে হয় তেন্তে গোচৰটোত ধাৰা ৫১৭ৰ কোনো প্ৰয়োগ নাছিল আৰু আদালতৰ সোণ বাজেয়াপ্ত কৰাৰ নিৰ্দেশ দিয়াৰ কোনো ক্ষমতা নাছিল। তেওঁ লগতে আহ্বান জনায় যে বিষয়টোৰ যিকোনো দৃষ্টিভংগীতে এই গোচৰৰ পৰিস্থিতিত বাজেয়াপ্ত কৰাৰ আদেশ সঠিক আদেশ নহয়।

৫১৭(১) ধাৰাত এইদৰে কোৱা হৈছে:

"যেতিয়া কোনো ফৌজদাৰী আদালতত কোনা গোচৰৰ তদন্ত বা বিচাৰ সমাপ্ত হয়, তেতিয়া আদালতে নিজৰ আগত বা নিজৰ জিম্মাত থকা কোনো সম্পত্তি বা নথিপত্ৰ বা যিবোৰৰ সন্দৰ্ভত কোনো অপৰাধ সংঘটিত হোৱা দেখা যায়, বা যিবোৰ অপৰাধৰ সৈতে জড়িত কোনো অপৰাধ সংঘটিত কৰাৰ বাবে ব্যৱহাৰ কৰা হৈছে, সেইবোৰৰ নিষ্পত্তি (ধ্বংস, বাজেয়াপ্ত কৰা বা অন্য কোনো ধৰণে দখল কৰাৰ অধিকাৰ থকা বুলি দাবী কৰা যিকোনো ব্যক্তিলৈ প্ৰেৰণ কৰা) কৰাৰ বাবে উপযুক্ত বুলি বিবেচনা কৰা আদেশ দিব পাৰে।

ধাৰাটো সাধাৰণভাৱে পঢ়িলে দেখা যায় যে তদন্ত বা বিচাৰৰ সমাপ্তিৰ লগে লগে আদালতে আদালতৰ সন্মুখত বা আদালতৰ জিম্মাত দাখিল কৰা যিকোনো

সম্পত্তি বা নথিপত্ৰ নিষ্পত্তিৰ বাবে আদেশ দিবলৈ ক্ষমতা লাভ কৰে, বা যি সম্পত্তি সম্পৰ্কে কোনো অপৰাধ সংঘটিত হোৱা যেন লাগে, বা যি সম্পত্তি কোনো অপৰাধ সংঘটিত কৰাৰ বাবে ব্যৱহাৰ কৰা হৈছে। এই ধাৰাটোৱে এইটোও দেখুৱাইছে যে আদালতৰ ক্ষমতা ধ্বংস, বাজেয়াপ্ত বা এনে সম্পত্তিৰ দখলৰ অধিকাৰী বুলি দাবী কৰা যিকোনো ব্যক্তিক হস্তান্তৰ কৰালৈকে বিস্তৃত থাকে।

শ্ৰী চেটাৰ্জীয়ে যুক্তি প্ৰদৰ্শন কৰি কৈছিল যে আৰক্ষীয়ে সোণখিনি জব্দ কৰাৰ পিছত সোণখিনি কোষাগাৰলৈ প্ৰেৰণ কৰা হৈছিল যদিও সোণখিনি আদালতত কেতিয়াও দাখিল কৰা হোৱা নাছিল। এই বিষয়ে থকা সাক্ষ্য স্পষ্ট আৰু সুনিশ্চিত বুলি আমি নাভাবো আৰু এই বিষয়টো বিচাৰ আদালতত উত্থাপন কৰা হৈছিল যেন নালাগে। উচ্চ ন্যায়ালয়ে এই আদেশৰ ন্যায্যতা প্ৰদান কৰি কৈছিল যে সম্পত্তিখিনি আদালতৰ সন্মুখত দাখিল কৰা হৈছে আৰু আদালতে আদেশ প্ৰদান কৰাৰ আগতে ইয়াৰ সন্দৰ্ভত "যিকোনো অপৰাধ সংঘটিত হোৱা যেন লাগে" সেই কথাটো বিচাৰি উলিওৱাটো প্ৰয়োজনীয় নহয়। আমাৰ বাবে স্পষ্ট যে সম্পত্তিখিনি এনেকুৱা নাছিল যাৰ সন্দৰ্ভত কোনো অপৰাধ সংঘটিত হোৱা যেন লাগে, বা যিটো কোনো অপৰাধ সংঘটিত কৰাৰ বাবে ব্যৱহাৰ কৰা হৈছে। আদালতৰ ক্ষমতাৰ পৰিসৰ নিঃসন্দেহে আদালতৰ জিম্মাত থকা সম্পত্তি জব্দ কৰালৈকে বিস্তৃত, কিন্তু প্ৰতিটো গোচৰতে আদালতে গোচৰৰ পৰিস্থিতি নিৰ্বিশেষে বাজেয়াপ্ত কৰাৰ আদেশ দিয়াটো বাধ্যতামূলক নহয়। এনে গোচৰৰ ক্ষেত্ৰত ধাৰণা কৰাটো সম্ভৱ যে যদি গোচৰৰ অপৰাধৰ বিষয়বস্তু সম্পত্তি হয় তেন্তে সেই সম্পত্তি অপৰাধতোৰ সম্পৰ্কীয় আইন অনুসৰি দোষী সাব্যস্ত হোৱাৰ পিছত শাস্তি হিচাপে বাজেয়াপ্ত কৰিব পাৰে। গতিকে সোণখিনি নিষ্পত্তি কৰাৰ সন্দৰ্ভত আদালতৰ আদেশ দিয়াৰ ক্ষমতা আছিল বুলি ধৰি ল'লে আমাৰ এনে লাগে যে এই গোচৰৰ পৰিস্থিতিত বাজেয়াপ্ত কৰাৰ আদেশটো উপযুক্ত আদেশ নাছিল। ৫১৭ নং ধাৰাৰ শেষৰ অংশত সম্পত্তি নিষ্পত্তিৰ

পৰিস্থিতি সম্পৰ্কে সাধাৰণ ব্যৱস্থাৰ উল্লেখ আছে । ধাৰা ৬১ই-ৰ বিধানে আদালতক শাস্তি হিচাপে বাজেয়াপ্ত কৰাৰ ক্ষমতা প্ৰদান নকৰে আৰু ধাৰাটোৰ বিধান অনুসৰি দিব পৰা কাৰাদণ্ড আৰু জৰিমনা এটা নামমাত্ৰ শাস্তি হয় কিয়নো এই ধাৰাটো কেৱল বিশ্বাসৰ ওপৰত প্ৰতিস্থিত যে ব্যক্তিজনৰ দখলত থকা সম্পত্তি চুৰি কৰা সম্পত্তি বা জালিয়াতিৰে আহৰণ কৰা সম্পত্তি বুলি বিবেচনা কৰা হয় যাৰ বাবে ইয়াৰ সন্তোষজনকভাৱে হিচাপ কৰা নহয়। এই অপৰাধটো স্থানীয় আৰক্ষী আইনৰ অধীনৰ এক অপৰাধ আৰু এই অপৰাধটো কোনো আইনৰ অধীনত নহয় যি আইনত সাগৰীয় শুল্ক আইনৰ দৰে বাজেয়াপ্ত কৰাৰ দৰে জৰিমনা আৰোপ কৰা কোনো গুৰুত্বপূৰ্ণ ব্যৱস্থা আছে। ৫১৭নং ধাৰা অনুসৰি বাজেয়াপ্ত কৰাটোৱে সম্পত্তি নিষ্পত্তিৰ একমাত্ৰ ধৰণ নহয়, আৰু অভিযুক্তক সৰ্বোচ্চ ৩ মাহৰ শাস্তি আৰু ১০০ টকা জৰিমনা বিহা অপৰাধৰ গোচৰৰ ক্ষেত্ৰত ই একবাৰে অনুপযুক্ত । সম্পত্তিখিনিৰ অধিকাৰ দাবী কৰা ব্যক্তিজনক সম্পত্তিখিনি প্ৰদান কৰাৰ নিৰ্দেশ দিয়াটো নিশ্চিতভাৱে আদালতৰ বিচাৰাধীন আছিল। ইয়াত আবেদনকাৰীৰ পৰা সোণখিনি উদ্ধাৰ কৰা হৈছিল, আৰু এই সোণখিনিৰ গৰাকী আন কোনোবা বুলি বিবেচনা কৰিবলৈ আদালতক জনোৱা হোৱা নাছিল। এইটো স্বীকাৰ কৰিব পাৰি যে সোণখিনি চুৰি কৰা হৈছিল, বা ইয়াক জালিয়াতি কৰি আহৰণ কৰা হৈছিল বুলি প্ৰমাণ কৰিবলৈ কোনো সাক্ষ্য নাছিল যদিও উদ্ধাৰ কৰা সোণখিনি চুৰি কৰা হৈছিল বা জালিয়াতিৰে আহৰণ কৰা হৈছিল বুলি বিশ্বাস কৰাৰ স্থল আছিল আৰু আবেদনকাৰীয়ে তেওঁ যে সোণখিনিৰ অধিকাৰী সেইটো আদালতত প্ৰতিস্থা কৰিবলৈ ব্যৰ্থ হৈছিল। উচ্চ ন্যায়ালয়ে ভাবিছিল যে এই সোণখিনি আফ্ৰিকাৰ পৰা ভাৰতলৈ চোৰাংভাৱে অনা বুলি ধৰি ল'লেও ধাৰা ৬১ই-ৰ অধীনত দোষী সাব্যস্ত হোৱাৰ বাবে প্ৰয়োজনীয় কেৱল বিশ্বাসৰ ওপৰত ভিত্তি কৰি ৫১৭ নং ধাৰাত সোণখিনি বাজেয়াপ্ত কৰাটো স্পষ্টভাৱে কঠোৰ আৰু অযুক্তিকৰ আছিল ।

গতিকে আমি বিবেচনা কৰো যে সোণখিনি বাজেয়াপ্ত কৰাৰ আদেশক সমৰ্থন কৰিব নোৱাৰি।

সেই অনুসৰি আমি বাজেয়াপ্ত কৰাৰ আদেশ বাতিল কৰি আপীলকাৰীৰ পৰা জব্দ কৰা সোণখিনি আপীলকাৰীক ঘূৰাই দিয়াৰ নিৰ্দেশ দিওঁ।

*আপীল মঞ্জুৰ কৰা হল ।*

উত্তৰদাতাক প্ৰতিনিধিত্ব কৰে: *বি এইচ খেবৰ*

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

("স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাবে অন্য ক্ষেত্ৰত অনুদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ'ব।")